# 2024

## ASSAMESE

( Honours Elective )

Paper : ASM–HE–6026

( বাণীকান্ত কাকতি )

Anandaram Dhekial Phookan College Library
Acc. No. ____
Date ____
* Nagaon : Assam *

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) বধকাব্যসমূহ মহাভাৰতৰ কোনটো পৰ্বৰ আলমত ৰচিত ?

(খ) শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা কোনবিধ সাহিত্যই তেতিয়াৰ সমাজ আৰু সাহিত্যত যুগান্তৰ উপস্থিত কৰোৱা বুলি ড. বাণীকান্ত কাকতিয়ে কৈছে ?

(গ) ড. বাণীকান্ত কাকতিৰ 'বেজবৰুৱা' শীৰ্ষক প্ৰবন্ধটোত কোনজন লেখকৰ সাহিত্যৰ বিষয়ে আলোচনা কৰা হৈছে ?

(ঘ) 'কবিৰ অহৈতুকী প্ৰীতি' শীৰ্ষক লেখাটো পোনপ্ৰথমে কোনখন আলোচনীত প্ৰকাশ হৈছিল ?

(ঙ) *Historia Calamitatum* নামৰ আত্ম-জীৱনচৰিতখন কাৰ ৰচনা ?

(চ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সম্পাদনা কৰা যি কোনো এখন আলোচনীৰ নাম লিখা।

(ছ) পঢ়ুৱৈ সমাজ বঢ়াবৰ নিমিত্তে প্ৰথমে কেনে কিতাপৰ আৱশ্যক বুলি ড. বাণীকান্ত কাকতিয়ে অভিমত দিছে ?

(জ) **'Idiom'** শব্দৰ মূল কোনটো ভাষা ?

(ঝ) কোনজন ইংৰাজ কবিয়ে **'Noble Numbers'** নাম দি কবিতা ৰচনা কৰিছিল ?

(ঞ) কোনজন কবিয়ে মাধৱ কন্দলিৰ কবিতা-ৰামায়ণ ঢাকি 'তুচকৈ' গুচাবৰ মন দিছিল বুলি প্ৰচলিত আছে ?

Anandaram Dhekial Phookan College Library * Nagaon : Assam
Acc. No.
Date

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ড. বাণীকান্ত কাকতিৰ মতে মাধৱদেৱৰ গীতসমূহৰ মাজেদি কোনবিধ ৰস অভিব্যক্ত হৈছে? গীতত একেই ৰসৰ প্ৰকাশ ঘটোৱা আন এজন ভাৰতীয় ভক্তকবিৰ নাম লিখা।

(খ) অসমৰ অতি পুৰণি নাম কি বুলি ড. বাণীকান্ত কাকতিয়ে দেখুৱাইছে? 'কামৰূপ' নামৰ উল্লেখ থকা খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ স্তম্ভ-লিপিখন কোনজন সম্ৰাটৰ দিনৰ ?

(গ) ড. বাণীকান্ত কাকতিয়ে 'নোহোৱা নোপজা কবিতাৰ পুথি' বুলি উল্লেখ কৰা পুথিখনৰ নাম কি? এই পুথিৰ ৰচকজন কোন আছিল ?





(ঘ) 'জাতীয় চৈতন্য' পাঠটোত উল্লেখ থকা যি কোনো দুজন ইহুদী ভাবুকৰ নাম লিখা।

(ঙ) ডান্টেৰ কেতিয়া আৰু ক'ত জন্ম হৈছিল ?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ড. বাণীকান্ত কাকতিৰ 'বধকাব্য' নামৰ লেখাৰ আলমত কোঁচৰাজ্যক কেন্দ্ৰ কৰি হোৱা সাহিত্যচৰ্চাৰ এটি আভাস দিয়া।

(খ) চণ্ডীদাস আৰু ৰামী ৰজকিনীৰ সম্পৰ্কৰ এটি চমু বিৱৰণ দিয়া।

(গ) আৰ্যাৱৰ্ত আৰু পুৰণি অসমৰ সম্পৰ্কৰ বিষয়ে লিখা।

(ঘ) "গ্ৰন্থকাৰৰ জীৱনৰ মূল ধাৰা নাজানিলে বহুত সময়ত ভাবাত্মক সাহিত্য বুজিব নোৱাৰি।" যতীন্দ্ৰনাথ দুৱৰাৰ ক্ষেত্ৰত কাকতিয়ে কিয় এনেদৰে কৈছে? লিখা।

(ঙ) বেজবৰুৱা ডাঙৰীয়াৰ তৃতীয় ডাঙৰ দান বুলি ড. বাণীকান্ত কাকতিয়ে আলোচনা কৰা কথাখিনি দাঙি ধৰা।

(চ) "ভাষাৰ বান্ধেই সমাজ আৰু ৰাষ্ট্ৰৰ বান্ধ।" 'জাতীয় চৈতন্য' পাঠৰ আধাৰত কথাষাৰ বিশ্লেষণ কৰা।

৪। (ক) তোমাৰ পাঠৰ আলমত বধকাব্যৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা দাঙি ধৰা। ১০

*নাইবা*

'নাম-ঘোষা' গ্ৰন্থত থকা ভাবৰ তিনিটা ধাৰা কি কি? যি কোনো এটা ধাৰাৰ বিষয়ে লিখা।

(খ) 'কবিৰ অহৈতুকী প্ৰীতি' পাঠৰ আলমত ডান্টেৰ 'ডিভাইন কমেডি' ৰচনাৰ অন্তৰালত থকা ঘটনাৱলীৰ এটি বৰ্ণনা দিয়া। ১০

*নাইবা*

"স্বদেশপ্ৰীতিয়েই বেজবৰুৱা সাহিত্যৰ মূল মন্ত্ৰ।" কথাষাৰৰ ব্যাখ্যা দাঙি ধৰা।

(গ) "বতাহত ওফন্দি উঠা বেলুনবোৰ ল'ৰা-ছোৱালীৰ ধেমালিৰ বস্তু—সমাজৰ কোনো কামত নাহে।" কথাষাৰৰ তাৎপৰ্য 'নীৰৱ সাধনা' পাঠৰ ভিত্তিত আলোচনা কৰা। ১০

*নাইবা*

'আমাৰ নতুন সাহিত্য' পাঠৰ ভিত্তিত ড. বাণীকান্ত কাকতিৰ সাহিত্য সম্পৰ্কীয় দৃষ্টিভংগীৰ আভাস দিয়া।

(ঘ) 'তুমি' কাব্যক কবিৰ বিশ্বৰূপ দৰ্শন বুলি কিয় কোৱা হৈছে? বুজাই লিখা। ১০

*নাইবা*

'নাৰী হৃদয়' নামৰ পাঠত হেলইছাৰ হৃদয়ৰ বিশ্লেষণ কেনেদৰে পোৱা যায়? আলোচনা কৰা।

★★★

Anandaram Dhekial Phookan College Library * Nagaon : Assam
Acc. No.
Date